**শিকনৰ ফলাফলৰ ধূসৰ ক্ষেত্ৰসমূহৰ বিকাশ সাধনৰ বাবে প্ৰস্তুত কৰা**

**মুক্ত শৈক্ষিক সমল**

**শ্ৰেণী ঃ তৃতীয়        বিষয় ঃ ভাষা-১ (অসমীয়া)    তৃতীয় সাময়িকী (আগষ্ট, ছেপ্তেম্বৰ), ২০১৮ ইং**

**শিকনৰ ফলাফলৰ ধূসৰ ক্ষেত্ৰ** (Grey Area) **- লিখন কৌশল (গুণোৎসৱ-২০১৭ ৰ ফলাফল অনুসৰি)**

**শিকনৰ ফলাফলৰ উপক্ষেত্ৰ ঃ**

ক) শুদ্ধ বানান

- ➯ ছাত্ৰ-ছাত্ৰীয়ে বানান শুদ্ধকৈ লিখিবলৈ সক্ষম হ'ব।
- ➯ ছাত্ৰ-ছাত্ৰীয়ে পাঠত থকা যুক্তবৰ্ণবোৰ চিনাক্ত কৰিব পাৰিব।
- ➯ ছাত্ৰ-ছাত্ৰীয়ে যুক্তাক্ষৰসমূহ ভাঙিব আৰু গঠন কৰিব পাৰিব।
- ➯ ছাত্ৰ-ছাত্ৰীয়ে বাক্যত যুক্তাক্ষৰসমূহ সঠিকভাৱে প্ৰয়োগ কৰিব পাৰিব।

**শৈক্ষিক দিনপঞ্জী অনুসৰি তৃতীয় সাময়িকী (আগষ্ট-ছেপ্তেম্বৰ) লৈকে জড়িত পাঠ্যপুথিৰ পাঠসমূহ ঃ**

| | | |
|---|---|---|
| ক) সাহসী ছোৱালীজনী | - | পাঠ নং ৯ |
| খ) আব্দুলহঁতৰ নতুন ট্ৰেক্টৰ | - | পাঠ নং ১০ |
| গ) পক্ষীকুলৰ অভিযন্তা | - | পাঠ নং ১১ |

**পাতনি ঃ**

এই সমলসামগ্ৰীত “শিক্ষাৰ অধিকাৰ আইন - ২০০৯” অনুসৰি জাতি, ধৰ্ম, বৰ্ণ, ভাষা, লিংগ আৰু বিশেষভাৱে সক্ষম শিশু নিৰ্বিশেষে সকলো শিশুৰ প্ৰতি সম আচৰণ দেখুওৱা আৰু সকলোৰে বাবে বাধ্যতামূলক প্ৰাথমিক শিক্ষা নিশ্চিত কৰাৰ প্ৰতি দৃষ্টি ৰখা হৈছে। NCF-2005 য়ে লিখন কেৱল ভাষা বিষয়ৰ শিক্ষাৰ ক্ষেত্ৰতে সীমাবদ্ধ নাৰাখি বিদ্যায়তনিক আন সকলো বিষয়তে লিখন কৌশল পৰিপুষ্ট কৰি সেই বিষয়সমূহৰ অৰ্থবোধ জন্মিব পৰাকৈ ছাত্ৰ-ছাত্ৰীসকলৰ ভাষাৰ বিকাশ হোৱাটো বিচাৰিছে।

লিখন ভাষা শিক্ষাৰ এক গুৰুত্বপূৰ্ণ কৌশল। এই কৌশল আয়ত্ত নহ'লে ভাষা শিক্ষা সম্পূৰ্ণ নহয়। ছাত্ৰ-ছাত্ৰীসকলৰ শিকনৰ ফলাফলৰ ধূসৰ ক্ষেত্ৰ হিচাপে চিহ্নিত হোৱা দিশবোৰ হ'ল - (ক) বৰ্ণাশুদ্ধি, (খ) যুক্তাক্ষৰ থকা শব্দ ভুলকৈ লিখা, (গ) যুক্তবৰ্ণবোৰ চিনাক্ত কৰিবলৈ অপাৰগ হোৱা ইত্যাদি। সেয়ে লিখন দক্ষতা আহৰণৰ ক্ষেত্ৰত বাধাৰ সৃষ্টি কৰা কাৰকসমূহ চিনাক্ত কৰি শিকন কাৰ্যত সহায় হোৱাকৈ শিক্ষক-শিক্ষয়িত্ৰীসকলৰ প্ৰয়োজনীয় বুলি ভবা শিকন পৰিকল্পনা আৰু অনুশীলনীৰে সমলটি সজাবলৈ বিচৰা হৈছে। আশা কৰা হৈছেযে ইয়াৰ সহায়ত ছাত্ৰ-ছাত্ৰীৰ লিখন কৌশলৰ দক্ষতাৰ বিকাশ সাধন কৰিব পৰা হ'ব।

**ওপৰত উল্লিখিত শিকনৰ ফলাফলসমূহৰ গুৰুত্ব অপৰিসীম -**

- ➯ মাতৃভাষাৰ ভেটি সুদৃঢ় কৰাৰ লগতে অন্যান্য বিদ্যায়তনিক দিশসমূহ ভালদৰে শিকিবলৈ হ'লে লিখন অৰ্হতাৰ প্ৰয়োজন।।
- ➯ যুক্তাক্ষৰ চিনাক্তকৰণ, বৰ্ণ বিশ্লেষণ, যুক্তাক্ষৰ ভঙা আৰু জোৰা লগোৱাৰ উপৰি যুক্তাক্ষৰ থকা শব্দ লিখনিত ব্যৱহাৰ কৰিব পৰা।
- ➯ মনলৈ অহা ভাব, বিভিন্ন ছবি চাই সাধু আদি বৰ্ণনা কৰি লিখিব পৰা।

**এই সমল সামগ্ৰীৰ পৰা শিক্ষক হিচাপে আমি কি শিকিব পাৰিম ?**

- ➪ সকলো শিক্ষাৰ্থীৰ সক্ৰিয় অংশগ্ৰহণ নিশ্চিত কৰিবৰ বাবে ক্ৰিয়া-কলাপ, অনুশীলনৰ এক আগতীয়া পৰিকল্পনা কৰিব পাৰিম।
- ➪ আৰম্ভণিৰে পৰা সঠিকভাৱে লিখনৰ গুৰুত্ব দিয়াৰ বাবে সচেষ্ট হ'ব পাৰিম।
- ➪ লিখনৰ দুৰ্বল দিশসমূহ চিনাক্তকৰণ কৰি পুনঃ পুনঃ অভ্যাস আৰু অনুশীলনৰ যোগেদি সেই দুৰ্বলতা দূৰ কৰিবলৈ লোৱা  কৌশল আয়ত্ত কৰিবলৈ সফল হ'ব পাৰিম।
- ➪ ছাত্ৰ-ছাত্ৰীৰ বিকাশৰ লগতে শিক্ষকসকলেও মূল্যায়নৰ সুযোগ লাভ কৰিম।
- ➪ নতুন নতুন উদ্ভাৱনী চিন্তাৰ ক্ৰিয়া-কলাপেৰে শ্ৰেণীকোঠা গতিশীল কৰিব পাৰিম।

**লিখন দক্ষতা বিকাশৰ ব্যৱস্থাৱলী ঃ**

শ্ৰেণীকোঠাত শিক্ষাৰ্থীক লিখন কাৰ্য, যেনে, — শ্ৰুতলিপি, বানান, প্ৰশ্নৰ উত্তৰ, বোৰ্ডত লিখন আদি কৰিবলৈ দিলে দেখা যায় কিছুমান ছাত্ৰ-ছাত্ৰীয়ে বানান ভুল কৰে, কিছুমানে সম্পূৰ্ণ বাক্যটো লিখিব নোৱাৰে, কিছুমানে যতিবিৰাম চিনৰ ব্যৱহাৰত ভুল কৰে। বিশেষকৈ যুক্তাক্ষৰ প্ৰয়োগ কৰাত তেওঁলোকে প্ৰায়েই ভুল কৰে। এনেক্ষেত্ৰত শিক্ষক/শিক্ষয়িত্ৰী হিচাপে আমি কেনে ধৰণৰ ব্যৱস্থা ল'ব পাৰোঁ?

**এই সমলটোত ছাত্ৰ-ছাত্ৰীৰ সৈতে কৰিবলগীয়া শিক্ষণ-শিকন প্ৰক্ৰিয়াৰ এটা আৰ্হিমূলক ৰূপৰেখা সংক্ষেপতে উপস্থাপন কৰা হ'ল -**

| মুক্ত শৈক্ষিক সমল - ভাষা (অসমীয়া) | | | | |
|---|---|---|---|---|
| **শিকনৰ ফলাফল** | **সামগ্ৰী** | **শিকন প্ৰক্ৰিয়া** | **প্ৰশ্নাৱলী** | **মূল্যায়ন** |
| ১) পাঠত থকা যুক্তাক্ষৰ(যুক্ত বৰ্ণ)বোৰ ভাঙিব আৰু পাঠ বৰ্হিভূত আন যুক্তবৰ্ণৰ ব্যৱহাৰ কৰিব পৰা। | ➪ছবি<br>➪শব্দৰ/বৰ্ণৰ চাৰ্ট<br>➪যুক্তাক্ষৰ থকা কাৰ্ড | ক্ৰিয়া-কলাপ | ১) তলত দিয়া শব্দসমূহৰ বৰ্ণ বিশ্লেষণ কৰি দেখুওৱা।<br>ক) ইচ্ছা<br>খ) কজ্জা<br>গ) বাঞ্চা<br>ঘ) আজ্ঞা (পাঠ - ১১) | অবিৰত আৰু সামগ্ৰিক মূল্যায়ন |
| ২) ব্যঞ্জনবৰ্ণৰ লগত ব্যঞ্জনবৰ্ণ যোগ কৰি যুক্তাক্ষৰ গঠন কৰিব পৰা। | ➪বৰ্ণ কাৰ্ড | ক্ৰিয়া-কলাপ | ২) তলত দিয়া যুক্তাক্ষৰবোৰ বাক্যত প্ৰয়োগ কৰি দেখুওৱা।<br>ক) গ্ন ঘ) ন্ত<br>খ) ত্ম ঙ) প্ৰ<br>গ) চ্ছ চ) ত্ন | |
| (৩) পাঠভিত্তিক প্ৰশ্নৰ উত্তৰ শুদ্ধভাৱে লিখিব পৰা | ➪ছবি যুক্ত শব্দ চাৰ্ট | ক্ৰিয়া-কলাপ | ৩) তলৰ প্ৰশ্নসমূহৰ চমু উত্তৰ দিয়া।<br>ক) কোন চৰাইয়ে বাহ সাজিব জানে?<br>খ) অভিযন্তা মানে কি?<br>গ) কোন চৰাইৰ মাত মিঠা? | |
| (৪) পাঠত থকা অনুকাৰ, অনুৰূপ শব্দবোৰ চিনিব পৰা। | ➪বাক্য চাৰ্ট | ক্ৰিয়া-কলাপ | ৪) তলত দিয়া শব্দবোৰেৰে একোটা বাক্য সাজা।<br>জিৰ-জিৰ, খৰ-খৰ, ধপ্-ধপ্। | |

**ক্ষেত্ৰ অধ্যয়ন ঃ** (Case Study)

**প্ৰস্তুতি ঃ**

➪ ছবি, বৰ্ণ কাৰ্ড, শব্দ কাৰ্ড, চাৰ্ট

বামুনীগাঁৱৰ এখন প্ৰাথমিক বিদ্যালয়ৰ তৃতীয় শ্ৰেণীৰ পাঠ পঢ়ুৱাই থাকোঁতে শিক্ষয়িত্ৰী ৰঞ্জনা দাসে মন কৰিলে যে ভাষা বিষয়ৰ পাঠদান কৰোঁতে ভালে সংখ্যক ছাত্ৰ-ছাত্ৰীয়ে নিজাববীয়াকৈ বাক্য গঠন কৰিব নোৱাৰে। পাঠ্যপুথিত থকা অনুশীলনীৰ প্ৰশ্নসমূহৰ উত্তৰবোৰ শুদ্ধভাবে লিখিব নোৱাৰাৰ কাৰণ হিচাপে তেওঁ চিহ্নিত কৰিলে যে বানান বিভ্ৰাট, যুক্তবৰ্ণবোৰ সঠিকভাৱে চিনাক্ত কৰিব, যুক্তাক্ষৰ ভাঙিব আৰু গঢ়িবলৈ অপৰাগ হোৱা আদি প্ৰধান সমস্যা হৈ পৰিছে।

'সাহসী ছোৱালীজনী' পাঠটো আলোচনা কৰোঁতে তেওঁ লক্ষ্য কৰিলে যে—ছাত্ৰ-ছাত্ৰীয়ে যুক্তাক্ষৰৰ ধাৰণা স্পষ্ট কৰিব পৰা নাই, কিয়নো 'ষ' ৰ লগত 'ণ' যোগ হৈ 'ষ্ণ' হোৱা যুক্তাক্ষৰে (য + ঞ বুলি) তেওঁলোকৰ মনত খেলিমেলিৰ সৃষ্টি কৰিছে।

তৃতীয় শ্ৰেণীৰ ভাষা শিক্ষয়িত্ৰী হিচাপে তেওঁৰ মনত চিন্তাৰ উদয় হ'ল যে কেনেকৈ তৃতীয় পৰ্যায়ৰ অন্তৰ্গত পাঠ নং ৯, ১০ আৰু ১১ত থকা অনুশীলনী সমূহ শুদ্ধকৈ কৰাব পাৰি। তাৰ উপৰি যুক্তাক্ষৰৰ বাবে ৰূপ সলনি হোৱা বানানবোৰ শুদ্ধকৈ লিখিব নোৱৰা (পাঠ ঃ পক্ষীকুলৰ অভিযন্তা),মনলৈ অহা বাক্যবোৰ সঠিকভাৱে সজাব নোৱৰা (পাঠ ঃ আব্দুলহঁতৰ নতুন টেক্টৰ) আদি সমস্যাবোৰৰো সমাধান উলিয়াব পৰা যায়। শ্ৰীমতী দাসে প্ৰাথমিকভাৱে পাঠকেইটা পঢ়ি যুক্তাক্ষৰ (পাঠ ঃ ১০) হৈ সলনি হোৱা বানানবোৰ ছাত্ৰ-ছাত্ৰীৰ আয়ত্তলৈ অনাবলৈ তেওঁ কিছুমান পাঠৰ পৰা আৰু কিছুমান নিজাকৈ যুক্তাক্ষৰ বাছি উলিয়ালে আৰু তাত ৰঙীন ছবি কিছুমান সংলগ্ন কৰিলে। এইদৰে কেইবাটাও যুক্তাক্ষৰেৰে (৯, ১০, ১১ নং পাঠ) এখন ছবিসহ তালিকা প্ৰস্তুত কৰিলে।

এইবাৰ শ্ৰীমতী দাসে তালিকা (A, B) প্ৰস্তুত কৰিলে। তালিকাখনৰ A ফালে কিছুমান শব্দ থাকিব, যেনে, - উজ্জ্বল, শঙ্খ, ট্ৰেক্টৰ, জংঘল, অক্টোবৰ, কৃষ্ণ আদি আৰু B ফালে থকা কথাখিনিৰ লগত A ফালৰ কোনটো শব্দৰ অৰ্থটো মিলিব সেই কথা ছাত্ৰ-ছাত্ৰীসকলক ক'বলৈ দিব।

| **A** | **তালিকা(চাৰ্ট)** | **B** |
|---|---|---|
| উজ্জ্বল | উ +(জ +জ +ব) + ল | জিলিকি থকা |
| শঙ্খ | শ +(ঙ +খ) + অ | মুখেৰে বজাব পৰা বাদ্য |
| ট্ৰেক্টৰ | (ট +ৰ) +এ +(ক + ট) + ৰ | খেতিত ব্যৱহৃত বাহন |
| জংঘল | জ +(ঙ +ঘ) + ল | ঘন হাবি |

চাৰ্টখনত থকা যুক্ত বৰ্ণবোৰ পুনৰ বাৰ দুই এজন শিক্ষাৰ্থীৰ দ্বাৰা বোৰ্ডত লিখোৱাই ললে আৰু দুটা বৰ্ণৰ যোগত সলনি হোৱা ৰূপবোৰ পুনৰ নিৰীক্ষণ কৰিবলৈ উৎসাহ যোগালে। এনে কৰাত দেখা গ'ল ৪/৫ জন ছাত্ৰ-ছাত্ৰীৰ বাহিৰে বাকীসকল যুক্তাক্ষৰসমূহ সঠিকভাৱে চিনাক্ত কৰিবলৈ সক্ষম হ'ল আৰু এনে কাৰ্যত সন্তুষ্টিও লাভ কৰিলে। তেওঁ ছাত্ৰ-ছাত্ৰীক চিনাক্ত কৰা বাক্যবোৰ নিজৰ বহীত লিখিবলৈ দিলে।

তিনিটা বৰ্ণৰে গঠিত যুক্তাক্ষৰৰ বাবে নিৰ্দিষ্ট ছাত্ৰ-ছাত্ৰীসকলক একোখনকৈ কাৰ্ড তৈয়াৰ কৰি দেখুৱালে আৰু তাৰ পৰা নিজৰ মতে বৰ্ণ একোটা বাছি লৈ বাক্য সাজিবলৈ দিলে। দেখা গ'ল যে - সকলোৱে আনন্দমনে এই খেলত যোগদান কৰিলে।

ইয়াৰ লগে লগে শিক্ষকে শ্ৰুতলিপি দিবলৈ পাৰে। কাৰণ লিখন কৌশল বিকাশৰ বাবে আটাইতকৈ প্ৰভাৱশালী ক্ৰিয়া-কলাপ হৈছে শ্ৰুতলিপি। সেইবাবে আমি শিক্ষক হিচাপে শ্ৰেণীকোঠাত পাৰ্যমানে শ্ৰুতলিপি দিব পাৰোঁ!

**বিঃদ্রঃ** ***শ্ৰেণীকোঠাত থকা বিশেষভাৱে সক্ষম ছাত্ৰ-ছাত্ৰীৰ প্ৰতি বিশেষ গুৰুত্ব দিব লাগিব আৰু অনুপস্থিত ছাত্ৰ-ছাত্ৰীসকল যাতে বিদ্যালয়ত উপস্থিত থাকে তাৰ বাবে পদক্ষেপ ল'ব লাগিব।***

**চিন্তা কৰি চাওঁ আহক ঃ**

ক) শ্ৰীমতী ৰঞ্জনা দাসে বৰ্ণৰ শুদ্ধ ৰূপ গঠনত ইমান গুৰুত্ব আৰোপ কৰাৰ কাৰণ কি হ'ব পাৰে?

খ) পাঠত থকা স্বত্বেও শ্ৰীমতী দাসে নিজস্বভাৱে এখন ছবি সহ যুক্তাক্ষৰৰ তালিকা প্ৰস্তুত কৰাৰ কাৰণ কি হ'ব পাৰে।?

গ) শ্ৰীমতী দাসে বৰ্ণ কাৰ্ড তৈয়াৰ কৰি সেইবোৰৰ পৰা কিয় বৰ্ণবোৰ বাছি উলিয়াবলৈ দিলে? আমিও তেওঁৰ দৰেই প্ৰয়াস কৰি চাওঁচোন -

**ক্ৰিয়া-কলাপ ঃ**

১১ নং পাঠ 'পক্ষীকুলৰ অভিযন্তা'ৰ আলমত যিকোনো পাঠভিত্তিক প্ৰশ্নৰ সহজে উত্তৰ লিখিব পৰাকৈ আৰু মনৰ ভাব প্ৰকাশ কৰি সুচাৰুৰূপে লিখিব পৰাকৈ তলত উল্লেখ কৰা ক্ৰিয়া-কলাপৰ অনুশীলন কৰাব পাৰি।

মই বিষয়টোৰ লগত মিলাই এটা ভাষাৰ পাঠ প্ৰস্তুত কৰি ললোঁ। প্ৰথমে আমাৰ চাৰিওফালে দেখা বিভিন্ন চৰাই-চিৰিকটিৰ কিছুমান বৰ্ণনা সাধুৰ ৰূপত আকৰ্ষণীয় ভাৱে কৈ গ'লোঁ আৰু তেওঁলোকক মোৰ কথন শৈলী নিৰীক্ষণ কৰিবলৈ অনুৰোধ কৰিলোঁ। ইয়াৰ পাছত চিলনীৰ জীয়েকৰ সাধুটো কৈ শুনালোঁ আৰু ধৰি ল'লোঁ যে চিলনীকে আদি কৰি মই উল্লেখ কৰা আন চৰাইবোৰৰ আচৰণ সম্বন্ধে সিহঁতে এটা থুলমূল ধাৰণা ল'ব পাৰিছে। ইয়াৰ পাছত শিক্ষাৰ্থীক অভিৰোচিত কৰিবলৈ তলৰ প্ৰশ্নসমূহ সুধিলোঁ —

প্ৰশ্নসমূহ ঃ বসন্ত কালত কোন চৰাইৰ মাত শুনা?

সিহঁতে গছৰ ডালত বাহ বান্ধিব পাৰেনে?

যদি নোৱাৰে সিহঁতে ক'ত কণী পাৰে?

চিলনীজনীয়ে জীয়েকক ক'ত ৰাখিছিল?

চিলনীয়ে কি খায়?

বাহ সাজিব জনা চৰাই কোনবোৰ?

কোনবিধ চৰাইয়ে গছত ফুটা কৰি ঘৰ সাজে?

কোনবিধ চৰাইয়ে মানুহৰ দৰে মাত মাতে?

'পক্ষীকুলৰ অভিযন্তা' বুলি কাক কোৱা হয়?

ওপৰোক্ত প্ৰশ্নসমূহৰ উত্তৰ মৌখিকভাবে পোৱাৰ পিছত বোৰ্ডত লিখি দিয়া হ'ল আৰু তেওঁলোকক এজন এজনকৈ বোৰ্ডৰ কথাখিনি পঢ়িবলৈ দিয়া হ'ল। তেওঁলোকে বাক্য গঠনৰ এই খেলত আনন্দৰে যোগদান কৰিলে।

**ক্ৰিয়া-কলাপ ঃ ২**

দ্বিতীয় ক্ৰিয়া-কলাপত মই ছাত্ৰ-ছাত্ৰীসকলৰ বাবে কিছুমান চুটি-চুটি সংলাপ তৈয়াৰ কৰি ল'লোঁ আৰু আটাইখিনি ছাত্ৰ-ছাত্ৰীক পাছৰ জনৰ লগত যোৰ পাতিবলৈ ক'লোঁ। যোৰ পাতি লোৱাৰ পাছত এজনক চিলনী, আনজনক চিলনীৰ জীয়েক, এজনক কুলি চৰাই আনজনক কাউৰী, এজনক টোকোৰা চৰাই, আনজনক বাটৈটোকা, এজনক ভাটৌ আৰু আনজনক ঘৰচিৰিকা হৈ সিহঁতৰ সংলাপবোৰ গাবলৈ দিলোঁ আৰু বৈ যোৱা কেইজনক নিৰীক্ষণ কৰিবলৈ দিলোঁ। কিছুমান ছাত্ৰ-ছাত্ৰীয়ে সংলাপৰ বাবে ঘৰুৱা ভাষা, আন কেইজনমান বিদ্যালয়ৰ ভাষা ব্যৱহাৰ কৰি সংলাপসমূহ কৈ গ'ল।

| |
|---|
| ইয়াৰ পাছত সিহঁতৰ পৰা পোৱা সংলাপ সমূহ পুনৰ বোৰ্ডত লিখি গ'লোঁ আৰু তাৰ পৰা উত্তৰ আকাৰে বহীত লিখি ল'বলৈ উৎসাহিত কৰিলোঁ। ভুল হ'লে শুধৰাই দিলোঁ। ঘৰুৱা ভাষা কোৱা ছাত্ৰসকলক মান্য ভাষাত সেই কথাষাৰৰ ৰূপ কেনে হ'ব — তাক কৈ শুধৰাই দিলোঁ। এই ক্ৰিয়া-কলাপে ছাত্ৰ-ছাত্ৰীৰ শব্দভাণ্ডাৰ বৃদ্ধি কৰিলে। |

**সাৰাংশ ঃ**

ওপৰোক্ত ক্ৰিয়া-কলাপৰ জৰিয়তে ছাত্ৰ-ছাত্ৰীসকলে -

- ⇨ যুক্তাক্ষৰ ভাঙি গঠন কৰি লিখিব পাৰিছে।
- ⇨ যুক্তাক্ষৰ থকা শব্দ আৰু তেনে শব্দ থকা বাক্য আৰু সৰু দফা লিখিব পাৰিছে।
- ⇨ লিখন কৌশল আয়ত্ত কৰিছে।
- ⇨ বৰ্ণনা কৰি যিকোনো এটা ভাবক লিখিত ৰূপ দিব পাৰিছে।

**দৃঢ়ীকৰণ ঃ**

ছাত্ৰ-ছাত্ৰীসকলৰ শিকনৰ দৃঢ়ীকৰণৰ বাবে তলত দিয়া প্ৰশ্নবোৰ কৰি চাওঁ আহকচোন —

১) তলত দিয়া বাকচ দুটাৰ পৰা (ক-বাকচ) (খ-বাকচ) একোটাকৈ শব্দ লৈ চুটি চুটি বাক্য সাজা।

| (ক) | (খ) |
|---|---|
| পথাৰত, চাদৰত, টৌকোৰা চৰায়ে, খেতিয়কে, পাগঘৰত, মইনা চৰাইয়ে, বনুৱাই | কাম কৰে, হাল বায়, ধান দায়, ৰান্ধে, বাহ সাজে, বুটা বাছে, কথা কয় |

২) তলত দিয়া শব্দকেইটাৰ অৰ্থ জানি একোটাকৈ বাক্য গঠন কৰা।

উজ্জ্বল/অনুজ্জ্বল, শঙ্খ/কঙ্কন, উত্তাপ/উত্তপ্ত

৩) সোঁফালে বাকচত থকা যুক্তাক্ষৰসমূহৰ পৰা উপযুক্ত যুক্তাক্ষৰটো আনি খালী ঠাই পূৰ কৰা।

| | |
|---|---|
| ক) _______ কাৰ | ঙ) উ _______ ল |
| খ) উত্ত _______ | চ) জ _______ ল |
| গ) শিক্ষয়ি ____ | ছ) অ _______বৰ |
| ঘ) ট্ৰে _______ৰ | জ) অভিয_______ |

| | | |
|---|---|---|
| হুং | ঙ্খ | ত্ৰী |
| ন্তা | প্ত | ঙ্গ |
| ক্ত | ক্টো | জ্জ্ব |

৪) তলত দিয়া শব্দসমূহৰ বৰ্ণ বিশ্লেষণ কৰি দেখুওৱা।

ক) ইচ্ছা খ) কজ্জা

গ) বাঞ্চা ঘ) আঞ্জা

**ছাত্ৰ-ছাত্ৰীৰ বাবে অনুশীলনী ঃ**

⇨ তলত দিয়া যুক্তাক্ষৰবোৰ ভাঙা।

ঞ্চ, ঞ্জ, ন্ধ

⇨ তলত দিয়া যুক্তাক্ষৰবোৰ গঠন কৰা ।

ন + ন = ☐  ত + ন = ☐  চ + ছ = ☐

⇨ তুমি পুৱা উঠি তোমাৰ চাৰিওফালে কি কি চৰাই আৰু জীৱ-জন্তু দেখিলা তাৰ নামবোৰৰ এখন তালিকা প্ৰস্তুত কৰা।

⇨ তলত দিয়া শব্দবোৰেৰে একোটা বাক্য সাজা।
জিৰ-জিৰ, খৰ-খৰ, ধপ্-ধপ্।

**প্ৰসঙ্গ পুথি ঃ**


⇨ পাঠ্যপুথি - অংকুৰণ (তৃতীয় ভাগ)
⇨ ৰচনা বিচিত্ৰা - ধৰ্মসিংহ ডেকা।
⇨ চন্দ্ৰকান্ত অভিধান - গুৱাহাটী বিশ্ববিদ্যালয়।


****